समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বৈকল্পিক)

পাঠ - ১৬

প্ৰাচীন ভাৰতীয় শিক্ষা

অংশ - ২

অংগৰাগ ভূঞা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। চমু উত্তৰ লিখা —

(ক) তক্ষশীলা বিশ্ববিদ্যালয়ৰ চাৰিজন প্ৰখ্যাত ছাত্ৰৰ নাম লিখা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- তক্ষশীলা বিশ্ববিদ্যালয়ৰ চাৰিজন প্ৰখ্যাত ছাত্ৰৰ নাম হ'ল জীৱক, পাণিনি, চৰক আৰু চাণক্য।



(খ) তক্ষশীলালৈ কোন কোন দেশৰ পৰা ছাত্ৰ আহিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- তক্ষশীলা বিদ্যালয়ত পঢ়িবলৈ পশ্চিমৰ পৰা, পাৰস্য দেশৰ পৰা বেকট্ৰিয়া আৰু মগধ দেশৰ পৰা ছাত্ৰ আহিছিল। তেতিয়া ই হিন্দু বিশ্ববিদ্যালয় গুচি বুদ্ধ বিশ্ববিদ্যালয় হয় তেতিয়া ইয়ালৈ চীন দেশৰ পৰাও বহু ছাত্ৰ আহিছিল।

(গ) নাগার্জুন কোন? ক'ত আছিল আৰু কি কৰিছিল?




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অমৰাবতী

উত্তৰঃ- নাগার্জুন আছিল প্রাচীন ভাৰতৰ বিশ্ববিদ্যালয়ৰ এগৰাকী শিক্ষক। তেওঁ অমাৱতী নগৰৰ ওচৰত থকা শ্রীধান্যকটক বিশ্ববিদ্যালয়ৰ প্রধান শিক্ষক আছিল আৰু ছাত্র-ছাত্রীক শিক্ষাদান কৰিছিল।

(ঘ) নালন্দা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা কোনজন চীনা ছাত্রক কামৰূপ ৰাজ্যলৈ নিমন্ত্রণ কৰা হৈছিল? নিমন্ত্রণ কৰা ৰজাজন কোন?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- নালন্দা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা চীনা ছাত্ৰ য়ুয়ানচ্যাঙক কামৰূপ ৰাজ্যলৈ নিমন্ত্ৰণ কৰা হৈছিল। তেওঁক নিমন্ত্ৰণ কৰা ৰজাজন আছিল ভাস্কৰবৰ্মন।



(ঙ) উদাস্তপুৰী বিশ্ববিদ্যালয়ৰ কি সম্পদ কোনে, কেতিয়া ধ্বংস কৰিলে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১২০২

উত্তৰঃ- উদান্তপুৰৰ বিশ্ববিদ্যালয়ৰ এটা বহুমূলীয়া পুথিভঁৰাল আছিল, যাক মুছলমানবিলাকে ১২০২ খ্ৰীষ্টাব্দত নষ্ট কৰিছিল।



(চ) কোনখন বিশ্ববিদ্যালয় কাৰ দিনত কোনবিলাক পণ্ডিতৰ মিলনক্ষেত্ৰ আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- উজ্জয়িনীৰ বিশ্ববিদ্যালয়ত, বিক্রমাদিত্যৰ ৰাজত্বকালত ভাৰতৰ সকলো পণ্ডিতলোকৰ মিলনক্ষেত্র আছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। 'প্ৰাচীন ভাৰতীয় শিক্ষা' পাঠটিৰ কথাখিনি চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- 'প্রাচীন ভাৰতীয় শিক্ষা' পাঠটিৰ মূল উদ্দেশ্য হ'ল-


প্রাচীন ভাৰতৰ শিক্ষা দানৰ বাবে তক্ষশীলা, শ্রীধান্যকটক, নালন্দা, উদান্তপুৰী, দেৱবিহাৰ বা বিক্রমশীলা আৰু উজ্জয়িনী নামেৰে ছখন বিশ্ববিদ্যালয় আছিল। বিদ্যালয় নির্বিশেষে হিন্দু আৰু বৌদ্ধ দুয়োবিধ শিক্ষা প্রদান কৰা হয়। বিভিন্ন বিদ্যালয়ত তর্কশাস্ত্র, চিকিৎসাশাস্ত্র, ব্যাকৰণ, দর্শনশাস্ত্র, আধ্যাত্মবিদ্যা, বেদ আদি বিষয়ৰ বিদ্যা দিয়া হয়। আর্য শিক্ষাৰ ৬৪ কলা বিদ্যাৰ ভিতৰত ১১ টা বিভাগৰ শিক্ষা দিয়া হৈছিল। বুদ্ধদেৱৰ চিকিৎসক জীৱক, সংস্কৃত ভাষাৰ প্রথম ব্যাকৰণ প্রণেতা

পাণিনি, ৰাষ্ট্ৰবিজ্ঞানৰ বিচক্ষণ পণ্ডিত চাণক্য, চীনা পৰিব্ৰাজক য়ুয়ানচ্যাঙ আদিয়ে প্ৰাচীন কালত ভাৰতৰ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল। বিভিন্ন বিদ্যালয়ত অত্ৰেয় ঋষি, নাগার্জুন, শীলভদ্ৰ আদিৰ দৰে ব্যক্তিয়ে শিক্ষা দান কৰিছিল। আজি-কালিৰ দৰেই আগৰ দিনত পুথিভঁৰালৰ ব্যৱস্থা আছিল। বিক্ৰমশীলা বিশ্ববিদ্যালয়ৰ ছাত্ৰাৱাসত বিনামূলীয়া থকা-খোৱাৰ ব্যৱস্থাও ছাত্ৰসকলৰ বাবে আছিল। উজ্জয়িনীৰ বিশ্ববিদ্যালয় আছিল ভাৰতবৰ্ষৰ সকলো পণ্ডিত লোকৰ মিলনভূমি ৰজা বিক্ৰমাদিত্যৰ ৰাজত্বকালত। প্ৰাচীন ভাৰতৰ নালন্দা বিশ্ববিদ্যালয়ত শিক্ষাৰ আদৰ্শ বহু উচ্চ মানৰ আছিল। যিকোনো ছাত্ৰই তাত নামভৰ্তি কৰিব পৰা নাছিল।

সেই সময়ৰ শিক্ষাৰ উদ্দেশ্য আছিল মানুহৰ অসৎ প্ৰবৃত্তিবোৰক দলিয়াই থৈ সজ প্ৰবৃত্তিবোৰক আঁকোৱালি লোৱা আৰু জীৱন যুদ্ধৰ কাৰণে তেওঁলোকক সাজু কৰা।

প্ৰাচীন ভাৰতৰ শিক্ষা যথেষ্ট আগবঢ়া আছিল। ভাৰতৰ আন এখন তাহানিৰ বিশ্ববিদ্যালয় হৈছে বিক্ৰমশীল বা দেৱবিহাৰ। দুটা উচ্চ বিদ্যালয়ৰ সমষ্টি বিক্ৰমশীলত ১০ গৰাকী অধ্যাপক আছিল। এই বিশ্ববিদ্যালয়ত আছিল চাৰিখন ছাত্রাৱাস আছিল। যাক 'সত্র' নামেৰে জনা গৈছিল আৰু তাত ছাত্রসকলৰ থকা-খোৱা বিনামূলীয়া আছিল। জ্যোতিশাস্ত্রৰ শিক্ষা দিবলৈ আন এখন বিশ্ববিদ্যালয় আছিল উজ্জয়িনীত।

প্রাচীন ভাৰতৰ শিক্ষা উচ্চ আদর্শক উপলব্ধি কৰি আজিৰ ছাত্র সমাজে নিজকে সুনাগৰিকৰূপে গঢ়ি তোলাৰ লগতে দেশখনকো ওখ আদর্শৰ বাটলৈ নিয়াৰ পথেৰে আগবাঢ়ক। পাঠটোৰ জৰিয়তে এনে আহ্বান শুনা গৈছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। প্ৰাচীন ভাৰতৰ বিশ্ববিদ্যালয়বিলাকৰ চমু পৰিচয় দিয়া।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- প্ৰাচীন ভাৰতত ছয়খন বিশ্ববিদ্যালয় আছিল। এই ছয়খনৰ চমু পৰিচয় তলত দিয়া হ'ল—

(i) তক্ষশীলা বিশ্ববিদ্যালয়:- এই বিশ্ববিদ্যালয় খ্ৰীষ্টপূৰ্ব এক শতিকালৈকে আছিল। এই বিশ্ববিদ্যালয়ৰ তলত কেইবাখনো চতুষ্পাঠীৰ আছিল। তাত ওঠৰ বিধ শিক্ষা দিয়া হৈছিল। তাত ভাস্কৰ-বিদ্যা, চিত্ৰাংকন, মূৰ্তিকটা আৰু আন আন হাতেৰে কৰা বিদ্যাৰ শিক্ষা দিয়া হৈছিল। ইয়াতে অত্ৰেয় ঋষিয়ে আয়ুৰ্বেদ শিক্ষা দিছিল। এই বিশ্ববিদ্যালয়ৰ তিনিজন প্ৰখ্যাত ছাত্ৰ হ'ল — বুদ্ধদেৱৰ চিকিৎসক জীৱক, পাণিনি আৰু চানক্য। এই বিশ্ববিদ্যালয়লৈ পাৰস্য, বেকট্ৰিয়া, মগধ, চীন আদি বিভিন্ন দেশৰ পৰাও ছাত্ৰ আহিছিল। ই প্ৰথমে হিন্দু বিশ্ববিদ্যালয় আছিল যদিও পিছলৈ ই বুদ্ধ বিশ্ববিদ্যালয় হ'ল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ii) শ্ৰীধান্যকটক বিশ্ববিদ্যালয়:- অম্ৰাৱতীনগৰৰ ওচৰত এই বিশ্ববিদ্যালয় আছিল। ই খ্ৰীষ্টপূৰ্ব এক শতিকালৈ বৰ্তি আছিল। ইয়াত হিন্দু আৰু বৌদ্ধ এই দুয়োবিধ শিক্ষাকে দিয়া হৈছিল। নাগাৰ্জুন আছিল ইয়াৰ প্ৰধান শিক্ষক।

(iii) নালন্দা বিশ্ববিদ্যালয়:- খ্ৰীষ্টপূৰ্ব এক শতিকাৰ পৰা আঠ খ্ৰীষ্টাব্দলৈকে এই বিশ্ববিদ্যালয় বৰ্তি আছিল। ইয়াত বেদ, চিকিৎসা আৰু অংকশাস্ত্ৰৰ শিক্ষা দিয়া হৈছিল। শীলভদ্ৰ এসময়ত এই বিশ্ববিদ্যালয়ৰ অধ্যক্ষ আছিল। বিশ্বৰ বিভিন্ন দেশৰ ছাত্ৰ এই বিশ্ববিদ্যালয়ত ভৰি আছিল। ইয়াত একেলগে দহ হাজাৰ ছাত্ৰই অধ্যয়ন কৰিছিল। পাঠাগাৰটোৰ এশটা কোঠাত এশটা শ্ৰেণী বহিছিল।



ভাৰতৰ বৃহৎ পুথিভঁৰালটো ইয়াতেই আছিল। ন-তলীয়া এই পুথিভঁৰালটোৰ নাম আছিল 'ৰত্নোদধি'। চীন পৰিব্ৰাজক য়ুয়ানচ্যাঙে ইয়াত অধ্যয়ন কৰি থকা অৱস্থাত ৰজা ভাস্কৰ বৰ্মনে তেওঁক কামৰূপলৈ আমন্ত্ৰণ জনাইছিল। য়ুয়ানচ্যাঙে এই বিশ্ববিদ্যালয়ত যোগশাস্ত্ৰ পঢ়িছিল।

উদান্তপুৰৰ বিশ্ববিদ্যালয়: উদান্তপুৰৰ বিশ্ববিদ্যালয় পাল ৰজাবিলাকৰ আগৰে পৰাই আছিল যদিও খ্ৰীষ্টীয় ৮ম শতিকাতহে ই বিশেষ খ্যাতি লাভ কৰিছিল। এই বিশ্ববিদ্যালয়ৰ এটা বহুমূলীয়া পুথিভঁৰাল আছিল। ১২০২ খ্ৰীষ্টাব্দত মুছলমানবিলাকে ইয়াক নষ্ট কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

বিক্রমশীলা বা দেৱবিহাৰ বিশ্ববিদ্যালয়: এইখন ভাৰতৰ এক প্রাচীন বিশ্ববিদ্যালয়। খ্রীষ্টীয় ৮ম শতাব্দীত ধর্মপাল ৰজাই প্রতিষ্ঠা কৰিছিল। এই বিশ্ববিদ্যালয়ৰ তলত ছটা উচ্চ বিদ্যালয় আৰু ১০৮জন অধ্যাপক আছিল। ই এই বিদ্যালয় ৪০০ বছৰৰ পাছত নষ্ট হয়। ছাত্রসকল থাকিবলৈ ইয়াত ছাত্রাবাসৰ ব্যৱস্থা আছিল আৰু বিনামূলীয়াকৈ তেওঁলোকে থাকিবলৈ আৰু খাবলৈ পাইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

উজ্জয়িনী বিশ্ববিদ্যালয় :-ভাৰতৰ এখন প্ৰাচীন বিশ্ববিদ্যালয় হৈছে উজ্জয়িনী বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয় ৰজা বিক্ৰমাদিত্যৰ ৰাজত্বৰ কালত ভাৰতবৰ্ষৰ সকলো পণ্ডিত লোকৰ মিলনক্ষেত্ৰ আছিল। ইয়াত শেষকৈ জ্যোতিষশাস্ত্ৰৰ শিক্ষা দিয়া হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। আর্য শিক্ষাৰ কলাবিদ্যা কিমানটি? প্রাচীন ভাৰতৰ বিশ্ববিদ্যালয়সমূহত আর্য শিক্ষাৰ কলা-বিদ্যা কোন কোন বিভাগত দিয়াৰ ব্যৱস্থা আছিল?



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৬৪
১১

উত্তৰঃ- আর্য শিক্ষাৰ কলা বিদ্যা ৬৪ বিধ। প্রাচীন ভাৰতৰ বিশ্ববিদ্যালয়সমূহত আর্য শিক্ষাৰ কলা বিদ্যা ১১ টা বিভাগত দিয়া হৈছিল। সেই বিভাগ কেইটা ক্রমে হৈছে — (১) সাহিত্য, (২) গৃহপাল বিদ্যা, (৩) ৰন্ধন বিদ্যা, (৪) সাজ-সজ্জা আৰু পৰিচ্ছদ বিদ্যা, (৫) হাতেৰে কাম কৰা বিদ্যা, (৬) শিল্পবিদ্যা, (৭) বিজ্ঞান, (৮) নাট্য বিদ্যা, (৯) সংগীত বিদ্যা, (১০) শিষ্টাচাৰ বিদ্যা আৰু (১১) শাৰীৰিক ব্যায়ামৰ বিদ্যা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। আজি কালিৰ শিক্ষাৰ লগত প্ৰাচীন কালৰ ভাৰতৰ শিক্ষাৰ মূল পাৰ্থক্যৰ কথা বহলাই আলোচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- আজি কালিৰ শিক্ষাৰ লগত প্ৰাচীন কালৰ ভাৰতৰ শিক্ষাৰ বহুতো পাৰ্থক্য দেখিবলৈ পোৱা যায়।

(i) আগৰ দিনত ছাত্ৰই শিক্ষা লাভ কৰি নতুন নতুন তত্ত্ব আৰু সত্য আদি আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছিল।

আনহাতে, আজিৰ ছাত্ৰই তেনে সত্য আৱিষ্কাৰ কৰিবলৈ সক্ষম হোৱা নাই।

(ii) আগৰ দিনত শিক্ষা গ্ৰহণৰ উদ্দেশ্য আছিল জ্ঞান আহৰণ কৰা।

আনহাতে, আজিৰ দিনত শিক্ষাৰ উদ্দেশ্য হ'ল চাকৰি গ্ৰহণ কৰা।

(iii) প্ৰাচীন কালত গুৰুসকলৰ বিষয় আছিল গভীৰ জ্ঞান। ছাত্ৰসকলক জ্ঞান দিবলৈ তেওঁলোকে বুদ্ধপৰিকৰ আছিল। শিক্ষাৰ উদ্দেশ্য আছিল তেওঁলোকৰ বাবে কেৱল জ্ঞানদান। ছাত্ৰৰ নৈতিক চৰিত্ৰ গঠন তেওঁলোকৰ বাবে অন্যতম উদ্দেশ্য আছিল।

আনহাতে, আধুনিক শিক্ষা ব্যৱস্থা হৈছে পাঠ্যকেন্দ্ৰিক। নিৰ্দিষ্ট সময়ত পাঠ্যক্ৰম শেষ কৰি ছাত্ৰ-ছাত্ৰীক নম্বৰৰ প্ৰতি আকৰ্ষিত কৰা। নৈতিক চৰিত্ৰ গঠন দিবলৈ শিক্ষা ব্যৱস্থাত সুযোগ কমেই।

(iv) আগৰ শিক্ষা খণ্ডত চৰকাৰে বহুত কম টকা-পইচা খৰছ কৰিছিল তথাপিও শিক্ষা পদ্ধতি আজিৰ শিক্ষা পদ্ধতিৰ তুলনাত বহু গুনেই উৎকৃষ্ট আছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৬। চমুটোকা লিখা:

তক্ষশীলা বিশ্ববিদ্যালয়, বিক্রমশীলা বিশ্ববিদ্যালয়, নালন্দা বিশ্ববিদ্যালয়।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- তক্ষশীলা বিশ্ববিদ্যালয়:- প্ৰাচীন ভাৰতৰ অন্যতম পৰিচিত বিশ্ববিদ্যালয় আছিল তক্ষশীলা। তক্ষশীলাত যি বিশ্ববিদ্যালয় আছিল, সি খ্ৰীষ্টপূৰ্ব এক শতিকালৈকে আছিল। আদিতে হিন্দু বিশ্ববিদ্যালয় হিচাপে জনাজাত তক্ষশীলা খ্ৰীষ্টপূৰ্ব এক শতিকালৈকে বৰ্তি আছিল। এই বিশ্ববিদ্যালয়ত কেইবাখনো চতুষ্পাদীৰ সমষ্টি আছিল আৰু তাত ওঠৰ বিধ শিক্ষা দিয়া হৈছিল। তাত ভাস্কৰ-বিদ্যা, চিত্ৰাংকন, মূৰ্তিকটা আদিকে ধৰি ওঠৰ বিধ হাতেৰে তৈয়াৰ কৰা বিদ্যাৰ শিক্ষা দিয়া হৈছিল। ইয়াতে অত্ৰেয় ঋষিয়ে আয়ুৰ্বেদ শিক্ষা দিছিল। বুদ্ধদেৱৰ চিকিৎসক `জীৱক' এই অত্ৰেয় মুনিৰ ছাত্ৰ আছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

তক্ষশীলা বিশ্ববিদ্যালয়ৰ যশ-খ্যাতিৰ কথা শুনি মগধ, বেকট্ৰিয়া আদিৰ লগতে পশ্চিমৰ দেশৰ পৰাও ইয়াত পঢ়িবলৈ ছাত্ৰ আহিছিল।

বিক্ৰমশীলা বিশ্ববিদ্যালয়:- খ্ৰীষ্টীয় ৮ম শতাব্দীত ধৰ্মপাল ৰজাই ৰাজত্ব কৰাৰ সময়ত এইখন বিশ্ববিদ্যালয়ৰ উল্লেখ পোৱা যায়। এই বিশ্ববিদ্যালয়ৰ তলত ছটা উচ্চ বিদ্যালয় আৰু ১০৮ জন অধ্যাপক আছিল। এই বিদ্যালয় ৪০০ বছৰৰ পাছত নষ্ট হয়। ছাত্ৰ থাকিবৰ নিমিত্তে বিদ্যালয়ৰ গাতে লগা চাৰিখন সত্ৰ অৰ্থাৎ ছাত্ৰাবাস আছিল; তাত ছাত্ৰবিলাকে বিনা খৰচে খাবলৈ আৰু থাকিবলৈ পাইছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

৪সঁউন

ছাত্র থকাৰ নিমিত্তে বিদ্যালয়ৰ গাতে লগা চাৰিখন সত্র অর্থাৎ ছাত্রাবাস আছিল।

নালন্দা বিশ্ববিদ্যালয়:- পৃথিৱী বিখ্যাত নালন্দা বিশ্ববিদ্যালয় খ্রীষ্টপূর্ব এক শতিকাৰ পৰা আঠ খ্রীষ্টাব্দলৈকে ভাৰতত আছিল। এই নালন্দা বিশ্ববিদ্যালয়ত বেদ, চিকিৎসা আৰু অংকশাস্ত্রৰ শিক্ষা প্রদান কৰা হৈছিল। এই বিশ্ববিদ্যালয়খনৰ বাহিৰে-ভিতৰে দহ হাজাৰ ছাত্র আছিল। এই বিশ্ববিদ্যালয়তে আছিল তাহানিৰ ভাৰতবর্ষৰ সকলোতকৈ ডাঙৰ 'ৰত্নোদধি' নামৰ ন-তলীয়া পুথিভঁৰালটো।

এই বিশ্ববিদ্যালয়ত কোনো খৰচ নোলোৱাকৈয়ে শিক্ষাদান কৰিছিল আৰু ইয়াত ব্যাকৰণ, তৰ্কশাস্ত্ৰ, চিকিৎসাশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ আৰু আধ্যাত্ম বিজ্ঞানৰ শিক্ষা দিয়া হৈছিল। এশটা কোঠালিত এশটা শ্ৰেণী বহিব পৰা শিক্ষাগাৰ এটাও এই নালন্দা বিশ্ববিদ্যালয়ত আছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। 'প্ৰাচীন ভাৰতীয় শিক্ষা' প্ৰবন্ধটোৰ পৰা তুমি কি কি মূল্যৱান কথা শিকিলা চমুকৈ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- হেমচন্দ্ৰ গোস্বামী দেৱে লিখা `প্ৰাচীন ভাৰতীয় শিক্ষা' প্ৰবন্ধটোৰ পৰা আমি বহুতো মূল্যৱান কথা শিকিবলৈ পাইছো। প্ৰাচীন কালত ভাৰতবৰ্ষত শিক্ষা ব্যৱস্থা কিমান উন্নত আছিল সেই বিষয়ে এই পাঠটোত স্পষ্টভাৱে উল্লেখ কৰা হৈছে। পুৰণি কালত ভাৰতৰ বিদ্যালয় তথা বিশ্ববিদ্যালয় সমূহত কি কি শিক্ষা প্ৰদান কৰা হৈছিল। তাহানিতে এখন, দুখন নহয় ছখনকৈ বিশ্ববিদ্যালয় ভাৰতত আছিল। তাৰ ভিতৰত পৃথিৱী বিখ্যাত নালন্দা বা তক্ষশীলাও আছিল। বিশ্ববিদ্যালয়সমূহত ভাৰতৰ বিভিন্ন দিশৰ বিশিষ্ট ব্যক্তি যেনে- বুদ্ধদেৱৰ চিকিৎসক জীৱক, সংস্কৃত ভাষাৰ প্ৰথম ব্যাকৰণ প্ৰণেতা পাণিনি আৰু

ৰাষ্ট্ৰবিজ্ঞানৰ বিচক্ষণ পণ্ডিত চাণক্যও ছাত্ৰ হিচাপে এই বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল। যুগ যুগ ধৰি আগৰ এই বিশ্ববিদ্যালয়সমূহৰ সত্ৰ বা ছাত্ৰাবাসো আছিল। কৰবাত ন-তলীয়া পুথিভঁৰাল আছিল, কোনোখন আকৌ ভাৰতৰ সকলো পণ্ডিতৰ মিলনভূমি আছিল।

আগত দিনত ছাত্ৰসকলে শিক্ষা লাভ কৰি ন ন বিষয়ত কেনেকৈ সিদ্ধি লাভ কৰি নতুন নতুন তত্ত্ব আৰু সত্য আৱিষ্কাৰ কৰিছিল আৰু আজিৰ ছাত্ৰই কিয় তেনে সত্য আৱিষ্কাৰ কৰিব পৰা নাই, ইয়াৰ বিষয়ে গম পোৱা গ'ল। আগৰ দিনত শিক্ষা ব্যৱস্থা আছিল মানুহৰ বৃত্তিবোৰক তুলি তেওঁক জীৱন যুদ্ধৰ নিমিত্তে সাজু কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

আগৰ দিনত আজি-কালিৰ দিনৰ দৰে শিক্ষাৰ উদ্দেশ্য চাকৰি নাছিল। এনেবোৰ বিষয়ে গম পোৱা গ'ল এই পাঠটিৰ জৰিয়তে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১। বাক্য ৰচনা কৰা —

(ক) স্বাধীন চিন্তা

(খ) জ্যোতিষশাস্ত্র

(গ) পোৰা মাটি

(ঘ) বাহিৰে-ভিতৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-

(ক) স্বাধীন চিন্তাঃ বৰ্তমান সময়ত স্বাধীন চিন্তাৰ মনোভাৱৰ লোক বহুত কমেই পোৱা যায়।

(খ) জ্যোতিষশাস্ত্রঃ উজ্জয়িনী বিশ্ববিদ্যালয়ত জ্যোতিষশাস্ত্রৰ শিক্ষা দিয়া হৈছিল।

(গ) পোৱা মাটিঃ অসমৰ ভিতৰত গৌৰীপুৰ পোৱা মাটি ভাস্কর্য্যৰ বাবে বিখ্যাত অঞ্চল।

(ঘ) বাহিৰে-ভিতৰেঃ নালন্দা বিশ্ববিদ্যালয়ত বাহিৰে-ভিতৰে মিলি দহ হাজাৰ ছাত্র আছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। তলৰ শব্দকেইটাৰ সন্ধি ভাঙা —

শিক্ষাগাৰ; বিদ্যালয়; পুৰুষার্থ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-

শিক্ষাগাৰ = শিক্ষা + আগাৰ

বিদ্যালয় = বিদ্যা + আলয়

পুৰুষার্থ = পুৰুষ + অর্থ

